**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি দিনৰ এক বজালৈকে সমগ্ৰ দেশত ৪০ শতাংশ ভোটদান সম্পন্ন হৈছে।

২। দেশৰ লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে বাকী থকা সমষ্টিসমূহত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত ৰাখিছে।

৩। কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া বিৰুবালা ৰাভাই আজি পুৱা ৯ বাজি ২৩ মিনিটত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পটালত শেষ নিশ্বাস ত্যাগ কৰে।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্চ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি দিনৰ এক বজালৈকে সমগ্ৰ দেশত ৪০ শতাংশ ভোটদান সম্পন্ন হৈছে। নিৰ্বাচন আয়োগে ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে তেলেংগানাত ১৭টা সংসদীয় সমষ্টিৰ ঠাই বিশেষে ভোটদানৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৯৬টা সমষ্টিক সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লোকসভাৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত ১৭ কোটি ৭০ লাখৰো অধিক ভোটদাতাই এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। চতুৰ্থ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা গিৰিৰাজ সিং, অৰ্জুন মুণ্ডা, জি কিষাণ ৰেড্ডী, অজয় কুমাৰ মিশ্ৰ, জে ডি ইউৰ ৰাজীৱ ৰঞ্জন সিং, সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱ, কংগ্ৰেছ নেতা অধিৰৰঞ্জন চৌধুৰী, তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ, শত্ৰুঘ্ন সিনহা আৰু এ আই এ এমৰ আছাদুদ্দিন ওৱেছি অন্যতম।

চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ১ লাখ ৯২ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ১৯ লাখৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে

প্ৰকাশ কৰা মতে আজি ভোটগ্ৰহণ হোৱা ঠাই সমূহৰ তাপমাত্ৰা স্বাভাৱিক অথবা স্বাভাৱিতকৈ কম হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে নিৰ্বাচন আয়োগে ভোটদাতাসকলৰ সুবিধাৰ্থে খোৱাপানী, জিৰণিস্থল, শৌচালয়, হুইলচেয়াৰ, বিদ্যুৎ আৰু ৰেম্পৰ লেখীয়া সকলো ধৰণৰ ব্যৱস্থা কৰিছে।

০০০০০০০

দেশৰ লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে বাকী থকা সমষ্টিসমূহত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত কেইবাখনো জনসভাত ভাগ লৈছে। আজি পুৱা হাজিপুৰত এখন ৰাজহুৱা সভাত ভাষণ দি নেতা গৰাকীয়ে ৰাজ্যবাসীক দেশৰ উন্নয়নৰ বাবে ভোটদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে পাটনা চহৰৰ তাখাত শ্ৰী হৰিমন্দিৰজি পাটনা চাহিব দৰ্শন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আবেলিলৈ উত্তৰ প্ৰদেশৰ বাৰানসীত এটা ৰোড শ্ব'ত অংশ ল'ব। উল্লেখযোগ্য যে, কাইলৈ জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে বাৰানসী লোকসভা আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব। আনফালে বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি মহাৰাষ্ট্ৰৰ ধূলে আৰু পালঘৰ জিলাত নিৰ্বাচনী সমাৰেশত অংশ ল'ব।

মূল বিৰোধী দল কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেও কালি মহাৰাষ্ট্ৰৰ ধূলেত হোৱা এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি শাসনাধিস্থিত বিজেপি চৰকাৰখনৰ তীব্ৰ সমালোচনা কৰে। শ্ৰী খাৰ্গে আজি ঝাৰখণ্ডত দুখন নিৰ্বাচনী সভা সম্বোধন কৰিব।

উত্তৰ প্ৰদেশৰ ৰায়বৰেলীত কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীয়েও আজি নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কালি ৰাজ্যখনৰ কেইবাটাও স্থানত নিৰ্বাচনী সভাত অংশ লৈ বিজেপিক মিথ্যাচাৰীৰ দল বুলি সমালোচনা কৰে। ইফালে আম আদমী পাৰ্টিৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কালি কেইবাখনো নিৰ্বাচনী সভাত অংশ লৈ বিদ্যুৎ, পানী, স্বাস্থ্য, শিক্ষা আৰু কৰ্মসংস্থানৰ দিশত পদক্ষেপ লোৱাৰ বিষয়ে উল্লেখ কৰাৰ লগতে দলৰ ঘোষণা পত্ৰত ৰাইজৰ সেৱাৰ সৈতে জড়িত ১০টা নিশ্চয়তা পূৰণৰ বিষয়ে ব্যক্ত কৰে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো কালি নতুন দিল্লীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ বিজেপি নেতৃত্বাধীন এন ডি এয়ে ৪০০ খনতকৈ অধিক আসন লাভ কৰিলে পাক অধিকৃত কাশ্মীৰক ভাৰতৰ সৈতে অন্তৰ্ভুক্ত কৰাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব বুলি ব্যক্ত কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালক কঠোৰ ভাষাৰে সমালোচনা কৰি ড০ শৰ্মাই লগতে কয় যে, যোৱাবাৰৰ দৰে এইবাৰো দিল্লীৰ আটাইকেইখন আসনত বিজেপি প্ৰাৰ্থী জয়ী হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি পাঞ্জাবৰ পাটীয়ালাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

০০০০০০০

চেণ্ট্ৰেল ব'ৰ্ড অব ছেকেণ্ডাৰী এডুকেশ্যন চমুকৈ চি বি এছ ইএ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। চি বি এছ ইএ প্ৰকাশ কৰা তথ্য অনুসৰি উত্তীৰ্ণৰ হাৰ ৮৭ দশমিক ৯-৮ শতাংশ। এই হাৰ যোৱা বছৰতকৈ দশমিক ৬-৫ শতাংশ বৃদ্ধি পোৱা বুলি ব'ৰ্ডে এটা বিবৃতি যোগে জনাইছে। ২৪ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে আৰু এক লাখ ১৬ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে।

০০০০০০০

কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া বিৰুবালা ৰাভাই আজি পুৱা ৯ বাজি ২৩ মিনিটত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পটালত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁক ভাৰত চৰকাৰে ২০২১ চনত দেশৰ চতুৰ্থ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰিছিল। সমাজত প্ৰচলিত ডাইনী প্ৰথাৰ বিৰুদ্ধে ২০০০ চনৰ পৰাই তেওঁ কাম কৰি আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰেণ্য সত্ত্বা বিৰুবালা ৰাভাৰ বিয়োগৰ বাতৰিত গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিৰুবালা ৰাভাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে কৰা হ'ব বুলি প্ৰকাশ কৰিছে আৰু এই বিষয়ত সকলো দিশ তদাৰক কৰিবলৈ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱাক দায়িত্ব প্ৰদান কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিৰুবালা ৰাভাৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি সামাজিক মাধ্যম যোগে শোকবাৰ্তা প্ৰেৰণ কৰিছে।

০০০০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে অহা চাৰি-পাঁচ দিনত উত্তৰ-পশ্চিম আৰু মধ্য ভাৰতত উষ্ণতা বৃদ্ধিৰ আগলি বতৰা দিছে। ৰাজস্থানকে ধৰি এই অঞ্চলসমূহত অহা ১৬ মে'ৰ পৰা গ্ৰীষ্ম প্ৰবাহ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী আৰ কে জেনামানিয়ে কৈছে যে, আজি ভোটদান চলি থকা অঞ্চলসমূহত গ্ৰীষ্ম প্ৰবাহৰ সম্ভাৱনা বিৰাজ কৰা নাই। অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, বিহাৰ, ঝাৰখণ্ড আৰু দক্ষিণ ওড়িশাত স্বাভাৱিক উষ্ণতা দেখা পোৱা গৈছে। তেলেংগানা, পশ্চিমবংগ আৰু উত্তৰ অন্ধ্ৰপ্ৰদেশত বজ্ৰপাত তথা বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিজ্ঞানীগৰাকীয়ে প্ৰকাশ কৰিছে। পশ্চিমবংগ, তামিলনাডু, কেৰালাকে ধৰি দক্ষিণ-পূব ভাৰতৰ কিছু অংশত তীব্ৰ বৰষুণ আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি ইৰানলৈ ৰাওনা হৈছে। ভাৰত আৰু ইৰানৰ মাজত হ'বলগীয়া গুৰুত্বপূৰ্ণ চাবাহাৰ বন্দৰ চুক্তি স্বাক্ষৰত ভাগ ল'বলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকী আজি ইৰান অভিমুখে যাত্ৰা কৰিছে। উল্লেখযোগ্য যে এই চুক্তিয়ে ভাৰতক ইৰানৰ ওমানত অৱস্থিত চাবাহাৰ বিমান বন্দৰ দীৰ্ঘদিনলৈ লীজত লোৱাত সহায় কৰিব। এই জলপথৰ জৰিয়তে ইৰান হৈ দক্ষিণ এছিয়া আৰু মধ্য এছিয়াৰ মাজত এটা নতুন বাণিজ্য পথ মুকলি হ'ব।

০০০০০০০

আসন্ন পেৰিচ অলিম্পিকত ৬ গৰাকী ভাৰতীয় মল্লযোদ্ধাই অংশগ্ৰহণ কৰিব। ইয়াৰে ভিতৰত ৫ গৰাকী মহিলা মল্লযোদ্ধা আছে। অমন ছহৰাৱট আৰু নিশা দাহিয়াই তুৰস্কৰ ইস্তানবুলত অনুষ্ঠিত বিশ্ব অলিম্পিক মল্লযুদ্ধ কোৱালিফায়াৰ প্ৰতিযোগিতাত ভাৰতৰ ক'টাৰ সংখ্যা ৬ লৈ বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে ৱিনেশ ফ'গাটে ৫০ কিলোগ্ৰাম, অন্তিম পংঘালে ৫৩ কিলোগ্ৰাম, অংশু মালিকে ৫৭ কিলোগ্ৰাম আৰু ৰীতিকা হুডাই ৭৬ কিলোগ্ৰাম ওজন শাখাত পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছিল।

ইস্তানবুল প্ৰতিযোগিতা মল্লযোদ্ধাসকলৰ বাবে পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ অন্তিম প্ৰতিযোগিতা আছিল।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

আনফালে, যোৱা নিশা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে  বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে। খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮৭ ৰান কৰে। প্ৰত্যুত্তৰত দেলহী কেপিটেলছে ১৯ অভাৰ আৰু ১টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ আগেয়ে চেন্নাই ছুপাৰ কিংছে এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰি এইবাৰৰ প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি তোলে। চেন্নাই ছুপাৰ কিংছে ১৪২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ২টা বলত ১৪৫ ৰান কৰে। চেন্নাইৰ হৈ অধিনায়ক ৰুতুৰাজ গাইকোৱাড়ে ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৰাজস্থানৰ ৰবীচন্দ্ৰন অশ্বিনে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৪১ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে।

০০০০০০০

**ঃ সমাপ্ত ঃ**